অসম

বৰ্ণাঢ্য কাৰ্যসূচীৰে বাক্সা জিলাৰ ২৩সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন, মুছলপুৰত উখল-মাখল পৰিৱেশ

আজি বাক্সা জিলাৰ ২৩সংখ্যক জিলা দিৱস। মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত জিলা প্ৰশাসনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে দিৱসটো উদযাপন কৰা হৈছে। ‘সুস্থ বাক্সা’ সমদল, স্বাক্ষৰ অভিযান, বৃক্ষৰোপণ, বিভিন্ন প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

প্ৰকাশ: ৩০ অক্টোবৰ ২০২৬, আবেলি ৬:১০

মুছলপুৰ, ৩০ অক্টোবৰ: আজি বাক্সা জিলাৰ ২৩সংখ্যক জিলা দিৱস। এই উপলক্ষে বাক্সা জিলা প্ৰশাসনৰ উদ্যোগত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে জিলা দিৱস উদযাপন কৰা হৈছে।

‘সুস্থ বাক্সা’ শীৰ্ষক সমদলেৰে আৰম্ভ হয় জিলা দিৱসৰ কাৰ্যসূচী। ইয়াৰ পিছতে স্বাক্ষৰ অভিযান, বৃক্ষৰোপণ আৰু বিভিন্ন বিভাগৰ বিপনী স্থাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰ অংশ হিচাপে বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান আৰু বঁটা বিতৰণী কাৰ্যসূচীৰে সামৰণি পৰিব জিলা দিৱসৰ উদযাপন।

উল্লেখ্য যে, ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত বিটিচি চুক্তিৰ আধাৰত বাক্সা জিলা গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। পৰৱৰ্তী সময়ত ৩০ অক্টোবৰৰ দিনটোত বাক্সাক জিলা হিচাপে ঘোষণা কৰা হয়। তেতিয়াৰে পৰা প্ৰতি বছৰে ৩০

© 2026 NewzNow

অক্টোবৰ দিনটো বাক্সা জিলা দিৱস হিচাপে পালন কৰি অহা হৈছে।

জিলাখনৰ ইতিহাস, পৰিচয় আৰু উন্নয়নৰ যাত্ৰাক স্মৰণ কৰি এই দিৱস উদযাপন কৰা হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/107/baksa-celebrates-23rd-district-day-mushalpur